# এন আৰ চি, অসমে যিসকল আবেদনকাৰীয়ে এন আৰ চি আবেদনপত্ৰ অনলাইনত দাখিল কৰিছিল তেখেতসকলৰ সুবিধাৰ্থে অনলাইনযোগেই বংশবৃক্ষ ফৰ্ম দাখিলৰ ব্যৱস্থা আগবঢ়াইছে

NRC
NATIONAL REGISTER OF CITIZENS

## সোনকাল কৰক! এই সুবিধা কেৱল ২৫ এপ্ৰিল ২০১৬ লৈকে উপলব্ধ হ'ব

- অনলাইনযোগে এন আৰ চি ফৰ্ম জমা দিয়া আবেদনকাৰীসকলৰ সুবিধাৰ্থে, যিসকলে বৰ্তমানে তেওঁলোকৰ নিৰ্দিষ্ট সেৱা কেন্দ্ৰৰ এলেকাৰ বাহিৰত বসবাস কৰি আছে, প্ৰধানতঃ ৰাজ্য/দেশৰ বাহিৰৰ বাসিন্দাসকলৰ বাবে, অনলাইনযোগে বংশবৃক্ষ ফৰ্ম দাখিলৰ ব্যৱস্থা কৰা হৈছে।
- এন আৰ চি সেৱা কেন্দ্ৰত আবেদনপত্ৰ দাখিল কৰা আবেদনকাৰীৰ বাবে এই সুবিধা উপলব্ধ নহয়।
- এই ব্যৱস্থাত এন আৰ চি আবেদনপত্ৰৰ দৰে অনলাইনত আবেদনপত্ৰ পূৰণ কৰাৰ সুবিধা ৰখা নাই। ইয়াত এন আৰ চি বংশবৃক্ষ ফৰ্ম প্ৰথমে হাতে লিখি পূৰণ কৰিব লাগিব আৰু এই ফৰ্মৰ স্কেন কৰা প্ৰতিলিপি অনলাইনত জমা দিব লাগিব।
- বংশবৃক্ষ ফৰ্মৰ কপি আমাৰ ৱেবছাইট (**www.nrcassam.nic.in**)ৰ পৰা ডাউনলোড কৰিব পাৰিব। ইয়াৰ বাবে হোমপেজৰ সোঁফালে থকা 'ডাউনলোড পিডিএফ অব মেনুৱেল ফেমিলি ট্ৰি ফৰ্ম' অংশ (TAB)ত ক্লিক কৰক অথবা এন আৰ চি সেৱা কেন্দ্ৰৰ পৰা বংশবৃক্ষ ফৰ্মৰ কপি সংগ্ৰহ কৰক।
- 'ডাউনলোড পিডিএফ অব মেনুৱেল ফেমিলি ট্ৰি ফৰ্ম' অংশ (TAB)ত বংশবৃক্ষ ফৰ্ম কেনেকৈ পূৰণ কৰিব লাগে তাৰ বিশদ বিৱৰণো দিয়া হৈছে।
- আবেদনকাৰীসকলক বংশবৃক্ষ ফৰ্ম অসমীয়া/বড়ো/বেংগলী (বৰাক উপত্যকাৰ ক্ষেত্ৰত)/ইংৰাজী ভাষাত পৰিষ্কাৰকৈ পূৰণ কৰিবলৈ অনুৰোধ জনোৱা হ'ব।
- যিহেতু এই বংশবৃক্ষ ফৰ্ম এন আৰ চিত অন্তৰ্ভুক্তিৰ বাবে এক গুৰুত্বপূৰ্ণ নথি, গতিকে আবেদনকাৰীসকলে যাতে বংশবৃক্ষ ফৰ্ম অসম্পূৰ্ণকৈ জমা নিদিয়ে।
- সকলো আত্মীয়ৰ নাম আৰু উপাধি সম্পূৰ্ণকৈ লিখিব। যদি কোনো ফৰ্মত আত্মীয়ৰ নাম সংক্ষেপত বা অসম্পূৰ্ণকৈ (উদাহৰণস্বৰূপে কৰুণা কলিতাৰ ঠাইত ক. ক. নামৰ ঠাইত 'ল'ৰা'-'ছোৱালী' ইত্যাদি ধৰণে) লিখা হয় তেন্তে সেই ফৰ্ম গ্ৰহণ কৰা নহ'ব আৰু ফৰ্ম সম্পূৰ্ণ কৰি পুনৰ জমা দিব লাগিব।
- সম্পূৰ্ণকৈ পূৰণ কৰা বংশবৃক্ষ ফৰ্মৰ স্কেন স্পষ্টভাৱে কৰিব যাতে পৰীক্ষণকাৰী দলে সহজে তাক পঢ়িব পাৰে।
- স্কেনিং সম্পূৰ্ণ কৰাৰ পিছত আবেদনকাৰীয়ে আমাৰ ৱেবছাইটলৈ যাব আৰু হোমপেজৰ সোঁফালে থকা 'অনলাইন ছাবমিশ্বন অব ফেমিলি ট্ৰি ফৰ্ম' অংশ (TAB)ত ক্লিক কৰিব।
- অনলাইনত বংশবৃক্ষ ফৰ্ম জমা দিয়াৰ ঢাপসমূহ তলত দিয়া হৈছে—

১। এপ্লিকেশ্বন ৰিচিপ্ট নম্বৰ (ARN) পূৰণ কৰক।

২। **এপ্লিকেশ্বন ৰিচিপ্ট নম্বৰ পূৰণ কৰাৰ লগে লগে আবেদনকাৰীয়ে যিটো ইমেইল আই ডি (e-mail ID) আৰু মোবাইল নম্বৰ ব্যৱহাৰ কৰি এন আৰ চি আবেদনপত্ৰ অনলাইনত জমা দিছিল সেই ইমেইল আই ডি আৰু মোবাইল নম্বৰলৈ এটা OTP (ৱান টাইম পাছৱৰ্ড) পঠিয়াই দিয়া হ'ব।**

৩। আন কোনো ইমেইল আই ডি বা মোবাইল নম্বৰলৈ এই বংশবৃক্ষ ফৰ্ম জমা দিয়াৰ OTP পঠিওৱা নহ'ব।

৪। OTP পৰীক্ষণ কাৰ্য সম্পন্ন হোৱাৰ পিছত বংশবৃক্ষ ফৰ্ম জমা দিয়াৰ 'পেজ' খুলি দিয়া হ'ব।

৫। আবেনদকাৰীয়ে এন আৰ এন (আবেদনপত্ৰ)ত ব্যৱহাৰ কৰা প্ৰথম লিগেচি ডাটা কোড (LDC)টো নিৰ্দিষ্ট স্থানত পূৰণ কৰিব লাগিব।

৬। লিগেচি ডাটা কোডৰ তলত আবেদনকাৰীয়ে যিজন ব্যক্তিৰ লিগেচি ডাটা কোড ব্যৱহাৰ কৰিছে তেখেতৰ বংশবৃক্ষৰ উল্লেখ থকা ফৰ্মৰ প্ৰথম পৃষ্ঠা আপলোড কৰিব।

৭। যদি এজন লিগেচি ব্যক্তিৰ বংশবৃক্ষ পূৰণ কৰিবলৈ ফৰ্মৰ এটাতকৈ বেছি পৃষ্ঠা ব্যৱহাৰ হৈছে, তেন্তে অতিৰিক্ত পৃষ্ঠাসমূহ স্কেন কৰি 'এড মোৰ পেজ' (Add More Page) অংশ (TAB)ত আপলোড কৰিব লাগিব।

৮। যিহেতু এটা এপ্লিকেশ্বন ৰিচিপ্ট নম্বৰ (আবেদনপত্ৰ)ত এটাতকৈ বেছি লিগেচি ডাটা কোড থাকিব পাৰে (উদাহৰণস্বৰূপে পৰিয়ালৰ বিবাহিত মহিলাসকলে তেওঁলোকৰ নিজৰ পূৰ্বপুৰুষৰ লিগেচি ডাটা কোড ব্যৱহাৰ কৰিব) সেই ক্ষেত্ৰত আবেদনকাৰীয়ে প্ৰথম পৰ্যায়ৰ পিছত পৰৱৰ্তী 'ব্লক'ত দ্বিতীয় এল ডি চি পূৰণ কৰিব আৰু প্ৰথম ব্লকৰ দৰে একে পদ্ধতিৰে দ্বিতীয় এল ডি চিৰ বংশবৃক্ষ ফৰ্মৰ পৃষ্ঠাসমূহ আপলোড কৰিব।

৯। আবেনদকাৰীয়ে আৱশ্যক অনুযায়ী যিমানসংখ্যক লিগেচি ডাটা কোড যোগ দিব বিচাৰে 'এড নিউ লিগেচি ডাটা কোড' (Add New Legacy Data Code) অংশ (TAB)ত আপলোড কৰিব পাৰিব।

১০। সকলো লিগেচি ডাটা কোডৰ বংশবৃক্ষ ফৰ্মৰ স্কেন কৰা পৃষ্ঠাসমূহ আপলোড সম্পন্ন কৰাৰ পিছত আবেদনকাৰীয়ে 'পৃষ্ঠা'টোৰ তলৰ পিনে থকা 'ছাবমিট' (Submit) অংশ (TAB)ত ক্লিক কৰিব।

অনুগ্ৰহ কৰি মন কৰিব যে অনলাইন বংশবৃক্ষ ফৰ্ম জমা দিয়াৰ সুবিধা এন আৰ চি সেৱা কেন্দ্ৰত এন আৰ চি ফৰ্ম জমা দিয়া আবেদনকাৰীসকলৰ বাবে উপলব্ধ নহয়।

*অনলাইন আবেদনকাৰীসকলক বংশবৃক্ষ ফৰ্ম জমা দিয়াৰ এই সুবিধা গ্ৰহণ কৰি তেখেতসকলৰ নাম উন্নীত এন আৰ চিত অন্তৰ্ভুক্ত কৰাৰ ক্ষেত্ৰত স্থিতি সুদৃঢ় কৰিবলৈ আৰু ৰাজ্যখনৰ বাবে এক শুদ্ধ নাগৰিকপঞ্জী উন্নীতকৰণ কৰাত এন আৰ চি কৰ্তৃপক্ষক সহায় কৰিবলৈ অনুৰোধ জনোৱা হ'ল।*

Exclusive/NRC/04-2016/32

| বিশদভাৱে জানিবলৈ আৰু সহায়ৰ বাবে | আমাৰ বিনামূলীয়া হেল্পলাইন নম্বৰ<br>15107 (অসমৰ বাবে) 18003453762 (অসমৰ বাহিৰৰ বাবে) | আমাৰ ৱেবচাইট<br>www.nrcassam.nic.in | *ৰাজ্যিক সমন্বয়ক, ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীয়ন, অসমৰ দ্বাৰা জনহিতাৰ্থে প্ৰচাৰিত।* |
|---|---|---|---|

nrcassam @NRCupdateAssam ত আমাক অনুসৰণ কৰক